সম্প্ৰসাৰণ বুলেটিন নং - ১৫/২০১২-১৩

# সুমথিৰা টেঙাৰ খেতি

ৰূপক কুমাৰ নাথ

পাৰভেজ আহমেদ

কৃষি বিজ্ঞান কেন্দ্ৰ

অসম কৃষি বিশ্ববিদ্যালয়

তিনিচুকীয়া - ৭৮৬১২৫

# সুমথিৰা টেঙাৰ খেতি

টেঙা ফলবোৰৰ ভিতৰত আন এবিধ উৎকৃষ্ট ফল হৈছে সুমথিৰা টেঙা। ই এটি অতি লাভজনক খেতি । বৈজ্ঞানিক ভিত্তিত সুমথিৰা টেঙাৰ খেতি কৰি আন খেতিত কৈ যথেষ্ট লাভ আশা কৰিব পাৰি । উত্তৰ-পূৰ্ব অঞ্চলৰ ঘাইকৈ অসম, মেঘালয় ৰাজ্যত সুমথিৰা টেঙাৰ খেতি কৰা হয় । ইয়াত নিহিত থকা ঘাই উপাদান বিলাক হ'ল- চাইট্ৰিক এচিদ, বাকলিত গ্লুকচাইদ ভিটামিন চি লগতে অনান্য ধাতবীয় মৌল যেনে কেলছিয়াম, ফচফৰাচ, আইৰন আদিয়েই প্ৰধান । সুমথিৰা টেঙাৰ ৰস উৎকৃষ্ট পানীয় হিচাবে ব্যৱহাৰ কৰা হয়।

**মাটি:** অধিক জৈৱসাৰ থকা, পানী জমা নোহোৱা ওখ, বালিচঁহীয়া মাটি এই খেতিৰ বাবে আৱশ্যক। বাগিছা খনত জলসিঞ্চনৰ তথা নিষ্কাষনৰ সুব্যৱস্থা থাকিব লাগে ।

**জাত:** উৎকৃষ্ট জাত হৈছে- থলুৱা সুমথিৰা টেঙা ।

**ৰোপন সামগ্ৰী:** সুমথিৰা টেঙা সাধাৰণতে বীজ আৰু কলি কলমৰ দ্বাৰা বংশ বিস্তাৰ কৰা হয় ।

**মাটি প্ৰস্তুতকৰন আৰু পুলি ৰোপন:** সুমথিৰা টেঙাৰ বাবে বাচনি কৰা মাটিডোখৰ দুই-তিনি বাৰ হাল-কোৰ মাৰি, মৈয়াই সমান কৰি ৫ মিটাৰ (১৫ ফুট) ব্যৱধানত শাৰী শাৰীকৈ বৰ্গক্ষেত্ৰ পদ্ধতিত একোটাকৈ গাঁত খান্দিব লাগে। পুলি ৰোৱাৰ দুইমাহৰ আগতে গাঁত খান্দিব পাৰিলে ভাল । প্ৰতিটো গাঁত ৭৫ ছে: মি: দীঘল, ৭৫ ছে:মি: বহল আৰু ৭৫ ছে: মি: দ হ'ব লাগে । গাতঁৰ ওপৰত আধা অংশৰ মাটি এফালে আৰু তলৰ আধা অংশৰ মাটি আনফালে থব লাগে । গাঁতবোৰ ওপৰৰ আধা অংশৰ মাটিৰ লগত ১০ কি: গ্ৰাম গোবৰ বা পচন সাৰ, ১/২ কি: গ্ৰাম চুন দুই মাহৰ পিছত ভালকৈ মিহলাই লৈ পুনৰ ১ মাহ মান ৰাখি থব লাগে । বীজৰ পৰা গজোৱা পুলি যেতিয়া এক-ডেৰ বছৰ বয়স হ'ব আৰু কলি কলমৰ দ্বাৰা তৈয়াৰ কৰা পুলি যেতিয়া দুই-আঢ়ৈ বছৰ বয়স হব তেতিয়া পুলিবোৰ বাৰিষা কালত (মে মাহৰ পৰা আগষ্টলৈকে) প্ৰতিটো গাঁতত ৰুৱ লাগে। ৰোৱতে গাঁতৰ মাজত প্ৰয়োজন সাপেক্ষে অকনমান মাটি গৰকি মাটিবোৰ হেচি দিব লাগে। পুলি ৰোৱাৰ পিছত পানী দিলে পুলিবোৰ মাটিত শীঘ্ৰে প্ৰতিষ্ঠাপিত হয় ।

**প্ৰতিপালন :** পুলি ৰোৱাৰ পিছত প্ৰতিপালন হিচাবে বনবাত নিৰনি, শুকান বতৰ হলে পানী যোগানৰ লগতে অপতৃন নিবাৰনৰ প্ৰতি দৃষ্টি ৰাখিব লাগে । বৰষুণৰ বতৰত পানী জমা নহবৰ কাৰণে পানী ওলাই যাবৰ বাবে নলা আদিৰ ব্যৱস্থা কৰিব লাগে । ৰোৱাৰ এবছৰ –ডেৰবছৰ পিচৰে পৰা মূল কাণ্ডত ওলোৱা পোখা ডালবোৰ কাটি গছজোপা এনেকৈ ৰাখিব লাগে যাতে মাটিৰ পৰা ১ মিটাৰ ওপৰলৈকে গছজোপাৰ মূল কাণ্ড ডালহে থাকে । মাজে মাজে বেমাৰী আৰু পোকে আক্ৰমন কৰা, বতাহ বা অন্য কাৰণত ভগা আৰু বীজতৰীয়া ডালবোৰ কাটি, কটা অংশত বৰ'ডো মলম নাইবা অন্য ভেকুৰ নাশক ঔষধৰ মিশ্ৰণ সানি দিব লাগে । নিয়মীয়াকৈ কীট-পতংগ আৰু বেমাৰ নিয়ন্ত্ৰন কৰি থাকিব লাগে ।

**সাৰ প্ৰয়োগ :** সুমথিৰা তেঁঙা গছত সাৰ গছৰ বয়স অনুপাতে প্ৰয়োগ কৰা হয় । প্ৰথম বছৰ গাঁতত অলপ পৰিমানৰ (৫ কি: গ্ৰা:) পচন সাৰ মাটিৰ লগত মিহলাই পুলিটো ৰুব লাগে ।

| গছৰ বয়স | পচন সাৰ (কি: গ্ৰা:) | ইউৰীয়া (গ্ৰা:) | একক চুপাৰ ফচফেট (গ্ৰা:) | মিউৰেট অৱ পটাছ (গ্ৰা:) |
|---|---|---|---|---|
| ২য় বছৰ | ৫ | ৩৩০ | ৭৫০ | ১৬৭ |
| ৩য় বছৰ | ১০ | ৬৬০ | ১৫০০ | ৩৩৪ |
| ৪ৰ্থ বছৰ | ১৫ | ৯৯০ | ২২৫০ | ৫০০ |
| ৫ম বছৰ | ২০ | ১৩২০ | ৩০০০ | ৬৬৮ |
| ৬ষ্ট বছৰ বা ওপৰৰ বয়সৰ | ২৫ | ১৬৫০ | ৩৭৫০ | ৮৩৫ |

সাৰখিনি সমানে দুভাগ কৰি এভাগ ফেব্ৰুৱাৰী - মাৰ্চ মাহত আৰু আনটো ভাগ ছেপ্তেম্বৰ - অক্টোবৰ মাহত প্ৰয়োগ কৰিব লাগে। গছজোপাৰ বয়স অনুযায়ী গুৰিৰ পৰা ১৫-৪৫ ছে: মি: আতৰত গছে আবৰি থকা গোটেই ঠাইখিনিত দিবলগীয়া সাৰখিনি সমান ভাৱে পৰাকৈ চটিয়াই পিচত পাতলীয়াকৈ কোৰ মাৰি মাটিৰ লগত মিহলাই দিব লাগে । লক্ষ্য কৰিব লাগে যে সাৰ প্ৰয়োগ কৰিবৰ সময়ত মাটিখিনিত বন-বাত নাথাকে আৰু মাটিত জীপ থাকে ।

**সংমিশ্ৰণ শস্য:** সাধাৰণতে পুলি ৰোৱাৰ ৭ বছৰ বয়সৰ পৰা গছত ফল লাগিবলৈ ধৰে । এই সময়ছোৱাত গছৰ মাজত খালি থকা ঠাইখিনিত অন্তৰ্বৰ্তী শস্য হিচাবে হ্ৰস্বকালীন শস্য যেনে মাহজাতীয় শস্য, অমিতা, মাটিকঠাল আদিৰ খেতি কৰি কিছু উপাৰ্জন কৰিব পাৰি । এতিয়া কিছুমান  ক্ষুদ্ৰ চাহ খেতিয়কে সুমথিৰা টেঙা বাৰীত চাহ খেতি কৰি যথেষ্ট উপকৃত হৈছে । চাহ আৰু সুমথিৰা টেঙাৰ অন্ত আৰু সংমিশ্ৰিত খেতিত খেতিয়ক এজনে চাহ খেতিৰ পৰা মাৰ্চ মাহৰ পৰা নৱেম্বৰ মাহলৈ আৰু সুমথিৰা টেঙাৰ পৰা নৱেম্বৰ মাহৰ পৰা জানুৱাৰী মাহলৈ উপাৰ্জন পায়, যিটো আন কোনো খেতিৰ বাবে সম্ভৱ নহয় ।

**ফল চপোৱা:** সাধাৰণতে ফলবোৰ বৰণ ধৰাৰ লগে লগে ছিঙিব লাগে। ফল চপোৱাৰ সময়ত যাতে কোনো আঘাত নাপায় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। বৰ্তমান সময়ত বজাৰত সুমথিৰা টেঙাৰ চাহিদালৈ চাই খেতিয়ক সকলে বৈজ্ঞানিক পদ্ধতিত খেতি কৰি আৰ্থিক ভাবে লাভান্বিত হব পাৰে ।

**অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ কৃষি বিজ্ঞান কেন্দ্ৰ, তিনিচুকীয়াৰ দ্বাৰা প্ৰকাশিত**